# গোহাৰি

## উচতনিমূলক আৰু অপমানসূচক বক্তব্য
## সাম্প্ৰদায়িক উত্তেজনা
## ভেদাভেদ আৰু বিদ্বেষ সৃষ্টি কৰিব পৰা মন্তব্য
## ভাবুকি আদি

**যিকোনোধৰণৰ বে-আইনী প'ষ্ট ছচিয়েল মিডিয়াত আপলোড কৰাৰ পৰা অনুগ্ৰহ কৰি বিৰত থাকক। অসম আৰক্ষীয়ে এইসমূহৰ ওপৰত তীক্ষ্ণ নজৰ ৰাখিছে।**

শ্ৰদ্ধেয় ৰাইজ,

ইণ্টাৰনেট সেৱা অব্যাহত থকাটো আমিও বিচাৰোঁ। ফেচবুক, হোৱাটছএপ্ আদিকে ধৰি যিকোনোধৰণৰ 'ছচিয়েল মিডিয়া' অপব্যৱহাৰৰ যোগেদি কোনো দুষ্টচক্ৰই যাতে সমাজত শান্তি-শৃংখলা বিঘ্নিত কৰিব পৰা কোনো পৰিৱেশ সৃষ্টি কৰিব নোৱাৰে তাৰ প্ৰতি আপুনিও সজাগ আৰু সাৱধান হওঁক। 'ছচিয়েল মিডিয়া'ত কোনোধৰণৰ আপত্তিজনক মন্তব্য, ফটো, ভিডিঅ' ক্লিপ আদিৰ প'ষ্ট আপোনাৰ দৃষ্টিগোচৰ হ'লে তৎকালীনভাৱে তলত উল্লেখ কৰা ফোন নম্বৰ আৰু ঠিকনাত জনাওঁক। আৰক্ষীয়ে এনেধৰণৰ দুষ্কাৰ্য্যত লিপ্তসকলৰ বিৰুদ্ধে কঠোৰ আইনগত ব্যৱস্থা গ্ৰহণ কৰিব। যদি বিচাৰে আপোনাৰ পৰিচয় সম্পূৰ্ণ গোপনে ৰখা হ'ব। আপোনাৰ সাৱধানতা আৰু সজাগতাই সমাজত শান্তি–সম্প্ৰীতিৰ বাতাবৰণ অক্ষুণ্ণ ৰখাত যথেষ্টখিনি অৰিহণা যোগাব।


ফোন নম্বৰ ঃ ০৩৬১-২৩৮১৫১১, ৯৬৭৮৮-৫৭৫৬৮

হোৱাটছএপ্ ঃ ৯১৩২৬৯৯৭৩৫, ৯৬৭৮৮৫৭৫৬৮, ৮১৩৪০৪১৫৯৭, ৮১৩৪০৪১৬৮০, ৮১৩৪০৪১৬৩৪

টুইটাৰ ঃ www.twitter.com/assampolice, GuwahatiPolice

ফেচবুক পেজ ঃ www.facebook.com/police.assam, Police Commissionerate Guwahati

ইনষ্টাগ্ৰাম ঃ https://instagram.com/assampolice


– অসম আৰক্ষী